# সংখ্যাৰ ধাৰণা

৫ জুন, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৰংপুৰ অঞ্চলৰ কেইবাখনো গাঁৱৰ ৰাইজে মিলি গাঁৱৰ খালী পৰি থকা মাটিত একেলগে বহুতো গছৰ পুলি ৰুলে। এই গছ পুলিবোৰে পৰিৱেশ প্ৰদূষণ ৰোধ কৰাৰ লগতে গাঁওবাসীক ফুল, ফলমূল আদিৰ যোগান ধৰিব বুলি এজন শিক্ষকে সকলোকে বুজাই দিলে। তেওঁলোকে ৰুৱা পুলিবোৰৰ ভিতৰত নাহৰ, কদম, বকুল, আম, জাম, মধুৰিআম, কঁঠাল, পনিয়ল, আমলখি, অমৰা, কৰ্দৈ, শিলিখা আদি আছিল।

ৰংপুৰ অঞ্চলৰ গাঁওবাসীয়ে কোন বিধ গছৰ পুলি কিমানকৈ ৰুলে তালিকাত চাওঁ আহাচোন



| গছপুলিৰ নাম | গছপুলিৰ সংখ্যা (অংকেৰে) | গছপুলিৰ নাম | গছপুলিৰ সংখ্যা (অংকেৰে) |
|---|---|---|---|
| আম | ২২০ টা | আমলখি | ৬৭৬ টা |
| জাম | ২৫৬ টা | অমৰা | ৭১১ টা |
| কঁঠাল | ৩২২ টা | কৰ্দৈ | ৭৩১ টা |
| পনিয়ল | ৩৪৫ টা | শিলিখা | ৮০০ টা |
| মধুৰিআম | ৪৫৫ টা | নাহৰ | ৮৩০ টা |
| বকুল | ৫০৬ টা | কদম | ৯৩০ টা |



তালিকাত দিয়া বিভিন্ন গছৰ সংখ্যাবিলাক সৰুৰ পৰা ডাঙৰলৈ লিখা

গছপুলিৰ সংখ্যা তালিকাখন চাই বিচাৰি উলিয়াই লিখা

এককৰ স্থানত ৫ থকা সংখ্যা

দহকৰ স্থানত ০ থকা সংখ্যা

শতকৰ স্থানত ৭ থকা সংখ্যা

শতকৰ স্থানত ৮ থকা সংখ্যা

একক আৰু দহকৰ স্থানত থকা একে অংকযুক্ত সংখ্যাবোৰ লিখা

৩২২

গছপুলিৰ তালিকাত থকা যুগ্ম সংখ্যাবোৰ লিখা

২২০,

গছপুলিৰ তালিকাত থকা অযুগ্ম সংখ্যাবোৰ লিখা

৩৪৫,

তালিকাত পোৱা আটাইতকৈ সৰু আৰু আটাইতকৈ ডাঙৰ সংখ্যা দুটা লিখা

আটাইতকৈ সৰু

আটাইতকৈ ডাঙৰ

তলৰ সংখ্যাকেইটা আখৰেৰে লিখা

২২০ ____________ ৩৪৫ ____________

৫০৬ ____________ ৮০০ ____________

ঘেৰ দিয়া অংকবোৰ চোৱা আৰু অংকটোৰ স্থান আৰু স্থানীয় মান লিখা

| সংখ্যা | ঘেৰ দিয়া অংকটোৰ স্থান | ঘেৰ দিয়া অংকটোৰ স্থানীয় মান |
|---|---|---|
| ১(৪)৩ | দহক | ৪ দহক = ৪ × ১০ = ৪০ |
| (২)০৪ | | |
| ৮৭(৬) | | |
| ৩(২)৩ | | |
| (৭)৭৪ | | |
| ৫(০)৫ | | |
| (৯)৯৯ | | |
| ৮(১)৪ | | |
| ৭৮(০) | | |
| (৯)০৬ | | |

স্থানীয় মান হিচাপে বিস্তৃত ৰূপত সংখ্যাবোৰ লিখা

৪০৫ = ৪০০ + ০ + ৫ ৮১০ = ........ + ........ + ........

৬৪২ = ........ + ........ + ........ ৯১১ = ........ + ........ + ........

৭৮৯ = ........ + ........ + ........ ৯৯৯ = ........ + ........ + ........

তলৰ অংকবোৰেৰে কি কি সংখ্যা লিখিব পাৰি ?

২, ৬, ৪ : ২৪৬, ২৬৪, ৪২৬, ৪৬২, ৬২৪, ৬৪২

৪, ১, ৯ : ........, ........, ........, ........, ........, ........

৫, ২, ০ : ........, ........, ........, ........, ........, ........

৬, ৯, ৫ : ........, ........, ........, ........, ........, ........



সোণতলী গাঁৱৰ মহিলা সমবায়

সোণতলী গাঁৱৰ মহিলা সমবায় গোটে মাছ পোহাৰ বাবে এটা পুখুৰী খান্দিবলৈ যো জা কৰি তাৰ বাবে তেওঁলোকে টকাবো যোগাৰ কৰিলে। চাওঁ আহাচোন কোনে কিমান টকা দিলে।



| | | |
|---|---|---|
| সেউজী পেহী | ১৬০০ | টকা |
| ৰমলা মাহী | ২২০০ | টকা |
| তগৰ জেঠাই | ৩১০০ | টকা |
| গোলাপী বাইদেউ | ২৫০০ | টকা |
| বকুলী আইতা | ৫০০ | টকা |

তেওঁলোকে দিয়া টকাৰ সংখ্যাবোৰ আখৰেৰে লিখো আহা

১৬০০ টকা এহাজাৰ ছশ টকা

২২০০ টকা ........

৩১০০ টকা ........

২৫০০ টকা ........

৫০০ টকা ........

কি কি নোট লগ লগালে তলত দিয়া টকাৰ পৰিমাণ হ'ব লিখা।



সেউজী পেহী ১৬০০ টকা = ৫০০ টকা + ৫০০ টকা + ৫০০ টকা + ১০০ টকা

ৰমলা মাহী ২২০০ টকা = ........

তগৰ জেঠাই ৩১০০ টকা = ........

গোলাপী বাইদেউ ২৫০০ টকা = ........

বকুলী আইতা ৫০০ টকা = ........

তলৰ সংখ্যাবোৰ অংকেৰে আৰু আখৰেৰে লিখো আহা

| সংখ্যা (অংকেৰে) | সংখ্যা (আখৰেৰে) |
|---|---|
| ১০০১ | এহাজাৰ এক |
| ১৬৫৪ | |
| ১৮৯১ | |
| ১৯৯১ | |
| ২০১৮ | দুই হাজাৰ ওঠৰ |
| ২৪৮৯ | |
| ২৭৮৬ | |
| ২৮৯৪ | |
| ২৭৭৫ | |
| ৩০০০ | |
| | তিনি হাজাৰ দুশ বাইছ |
| ৩৫৭৫ | তিনি হাজাৰ পাঁচশ পঁয়সত্তৰ |
| ৩৭৪৮ | |
| ৩৮৭৯ | |
| | চাৰি হাজাৰ |
| ৪১৫৬ | |
| ৪২৫৮ | |
| ৪৪৩৭ | |
| ৪৬৭৯ | |
| ৫১৩৬ | পাঁচ হাজাৰ এশ ছয়ত্ৰিছ |



| সংখ্যা (অংকেৰে) | সংখ্যা (আখৰেৰে) |
|---|---|
| ৫৪১৩ | |
| ৫৬৭৬ | |
| ৫৮৯০ | |
| ৬২১৪ | |
| ৬৩৫০ | ছয় হাজাৰ তিনিশ পঞ্চাছ |
| ৬৪১৭ | |
| ৬৭৮৯ | |
| | ছয় হাজাৰ আঠশ |
| ৬৯১০ | |
| ৭০০২ | সাত হাজাৰ দুই |
| ৭৩৮৩ | |
| ৭৬৬৬ | |
| ৭৮৬৭ | |
| ৮৩৫২ | |
| ৮৬৫৪ | |
| ৯১৯৫ | ন হাজাৰ এশ পঁচানৈৰে |
| ৯৬৬৫ | |
| ৯৭১৭ | |
| ৯৮৪৮ | |
| ৯৯৯৯ | |

৯৯৯৯ ৰ লগত ১ যোগ কৰিলে কি সংখ্যা পাবা ?

৯৯৯৯ ৰ লগত ১ যোগ কৰিলে ১০,০০০ পাম।
ইয়াক আখৰেৰে **'দহ হাজাৰ'** বুলি লিখা হয়।

৯৯৯৯+১ =১০০০০



### স্থানীয় মান অনুসৰি সংখ্যাবোৰ চাওঁ আহা

| সংখ্যা | দহ হাজাৰ | হাজাৰ | শতক | দহক | একক |
|---|---|---|---|---|---|
| ১ | | | | | ১ |
| ১০ | | | | ১ | ০ |
| ১০০ | | | ১ | ০ | ০ |
| ১০০০ | | ১ | ০ | ০ | ০ |
| ১০০০০ | ১ | ০ | ০ | ০ | ০ |

### মহিলা সমবায়ৰ মাছৰ পুখুৰী

পুখুৰীটো খন্দাৰ পিছত সমবায় গোটটোৱে তাত মাছৰ পোনা মেলি দিলে। মাছৰ পোনাবোৰ ডাঙৰ হোৱাত সেইবোৰ বিক্ৰী কৰি তেওঁলোকে এমাহত দহ হাজাৰ (১০,০০০) টকা পালে। তেওঁলোকে বেংকত টকাখিনি জমা থ'লে। কি কি নোটেৰে তেওঁলোকে দহ হাজাৰ (১০,০০০) টকা বেংকত জমা দিলে চাওঁচোন।





নোটত থকা সংখ্যাবোৰ আখৰেৰে লিখা



| ২০০ টকাৰ নোট | ৫০০ টকাৰ নোট | ২০০০ টকাৰ নোট |
|---|---|---|
| দুশ টকা | | |

গাড়ীৰ নম্বৰ প্লেটত থকা সংখ্যাবোৰ আখৰেৰে লিখা



গাড়ীৰ নম্বৰ প্লেটত লিখিব পৰা আটাইতকৈ ডাঙৰ সংখ্যাটো হ'ল ৯৯৯৯।

### নাজনীনৰ অসুখ

কণমাণি নাজনীনৰ চিকিৎসাৰ বাবে ভালেখিনি টকাৰ প্ৰয়োজন হ'ল। সেই কথা খবৰ কাগজত পাই বহুলোকে নাজনীনৰ চিকিৎসাৰ বাবে চেক দিলে। তেওঁলোকে দিয়া চেকবোৰত থকা সংখ্যাবোৰ পঢ়া আৰু অংকেৰে লিখা।



| | | |
|---|---|---|
| তিনি হাজাৰ টকা | দুই হাজাৰ পাঁচশ টকা | চাৰি হাজাৰ এশ পাঁচ টকা |
| ৩০০০ টকা | টকা | |

| | | |
|---|---|---|
| ছয় হাজাৰ দুশ বিছ টকা | সাত হাজাৰ পাঁচশ পঁচাশী টকা | আঠ হাজাৰ তিনিশ সোতৰ |
| ৬২২০ টকা | ৭৫৮৫ টকা | ৮৩১৭ |

## খালী ঠাই পূৰ কৰা

১০০৫ ........ ........ ১০০৮ ........ ........ ........ ........ ........ ........ ১০১৪

২০২৫ ........ ........ ........ ........ ........ ........ ........ ........ ........

৩৪৬৭ ........ ........ ........ ........ ........ ........ ........ ........ ........

৪৮৯৩ ........ ........ ........ ........ ........ ........ ........ ........ ........

৫২৯৫ ........ ........ ........ ........ ........ ........ ........ ........ ........

৬৭৩২ ........ ........ ........ ........ ........ ........ ........ ........ ........

৭৭৭৮ ........ ........ ........ ........ ........ ........ ........ ........ ........

৮৪৩৩ ........ ........ ........ ........ ........ ........ ........ ........ ........

৯৮৩৫ ........ ........ ........ ........ ........ ........ ........ ........ ........

৯৯৯১ ........ ........ ........ ........ ........ ........ ........ ........ ১০০০০

## তলৰ সংখ্যাবোৰৰ আগৰ আৰু পাছৰ সংখ্যাবোৰ লিখা

| | | | | | |
|---|---|---|---|---|---|
| | ১০০০ | | | ২৩৫০ | |
| | ৩৪৯৯ | | | ৪৮০০ | |
| | ৫৮৩২ | | | ৬৭৮৯ | |
| | ৭০৮০ | | | ৮৫০১ | |



## সংখ্যা যোৰৰ ডাঙৰটোত ✓ চিন দিয়া

| | | | |
|---|---|---|---|
| ৩৬৭১ ✓ | ২৩৭৭ | ৬৩২০ | ৭৩২০ |
| ৪৫৬২ | ৪৫৬৭ | ৮০০০ | ৯০৪৫ |
| ৫২৭৩ | ৫২৭৬ | ৭৯৯৯ | ৭৯৯৮ |

## স্থানীয় মান হিচাপে বিস্তৃত ৰূপত সংখ্যাবোৰ লিখা

৪৬৯৭ = ৪০০০ + ৬০০ + ৯০ + ৭

৯৯৯৯ = ........ + ........ + ........ + ........

৫৩৬২ = ........ + ........ + ........ + ........

৬০৫৩ = ........ + ........ + ........ + ........

৮৭০০ = ........ + ........ + ........ + ........

৯০০১ = ........ + ........ + ........ + ........

## সংখ্যাৰ বিস্তৃত ৰূপ চাই সংখ্যাবোৰ লিখা

| | | | |
|---|---|---|---|
| ৫০০০ + ৪০০ + ৭০ + ৬ = | ৫৪৭৬ | ৫০০০ + ২০০ + ০ + ০ = | |
| ৬০০০ + ০০০ + ২০ + ১ = | | ৬০০০ + ৩০০ + ৭০ + ১ = | |
| ৭০০০ + ৫০০ + ৫০ + ৫ = | | ৮০০০ + ৬০০ + ৪০ + ৪ = | |
| ৯০০০ + ৭০০ + ৬০ + ০ = | | ৯০০০ + ১০০ + ১০ + ৩ = | |

চিন্তা কৰি লিখা

(ক) ৯৯৯তকৈ ১ বেছি সংখ্যাটো ☐ (গ) ১০০ তকৈ ১ কম সংখ্যাটো ☐

(খ) ৯৯৯৯তকৈ ১ বেছি সংখ্যাটো ☐ (ঘ) ১০০০ তকৈ ১ কম সংখ্যাটো ☐

**মাঘৰ বিহুৰ উৰুকা**



মাঘৰ বিহুৰ উৰুকাৰ দিনা বকুল গাঁৱৰ ৰাইজে মিলি বিলত মাছ মাৰিলে। সোণবৰ, ধনবৰ, ৰংহান, চন্দ্ৰধৰহঁতে জালেৰে আৰু তৰুলতা, মইনামতী, চম্পাৱতী আৰু ৰহিমলাইঁতে জাকৈৰে মাছ মাৰিছিল। মাছ মৰাৰ পিছত তেওঁলোকে পোৱা মাছবোৰ গণনা কৰি চালে। তেওঁলোকে পোৱা মাছৰ সংখ্যাবোৰ তলৰ তালিকাত দেখুওৱা হ'ল। তাৰে কিছুমান মাছ সোণবৰহঁতে বজাৰত বেচিলে। ভকুৱা আৰু বৌ মাছেৰে আটাইয়ে লগলাগি উৰুকাৰ ৰাতি এসাঁজ খালে। বৈ যোৱা মাছবোৰ সকলোৱে ভগাই ল'লে।




| মাছৰ নাম | সংখ্যা |
|---|---|
| শিঙি | ৫০ |
| মাগুৰ | ১৪২ |
| বৌ | ১৪৫ |
| ভকুৱা | ১২৮ |
| মিৰিকা | ১১১ |
| পুঠি | ১২৫ |
| ৰৱিয়লা | ৮৬ |





**কিমান মাছ পালে চাওঁ আহা**



মাগুৰ আৰু শিঙি মাছ মিলি মুঠতে কিমান মাছ পালে?

| | |
|---|---|
| মাগুৰ মাছ ... | ১৪২ টা |
| শিঙি মাছ ... | + ৫০ টা |
| **মুঠ মাছৰ সংখ্যা** | **১৯২ টা** |

বৌ আৰু ভকুৱা মাছ মিলি মুঠতে কিমান মাছ পালে?

পুঠি আৰু ৰৱিয়লা মাছ মিলি মুঠতে কিমান মাছ পালে?

**বজাৰত কিমান মাছ বেচিলে আৰু কিমান বাকী থাকিল চাওঁ আহা**

(১) মাগুৰ মাছ আছিল ১৪২ টা
বজাৰত বেচিলে - ১১০ টা
বাকী থাকিল ৩২ টা

(২) মিৰিকা মাছ আছিল ১১১ টা
বজাৰত বেচিলে - ৯৯ টা
বাকী থাকিল ------ টা

(৩) বৌ মাছ আছিল ১৪৫ টা
বজাৰত বেচিলে - ৪৮ টা
বাকী থাকিল ______ টা

(৪) ভকুৱা মাছ আছিল ১২৮টা
বজাৰত বেচিলে - ৭৬ টা
বাকী থাকিল ______ টা

## যোগ কৰা

৩৬৫
+২১৬

৩৯১
+৪৮৬

৪৩২
+১১৯

৪৫৯
+২১১

৩৩৯
+৩২১

৫৫৫
+২৩৫

৬২৩
+২৮৪

৬৪৫
+১৯৩

৭৩৬
+১৪৩

## বিয়োগ কৰা

৮৯৫
-২৩৫

৪৭১
-৩০৯

৫৬৫
-২৮৫

৫৯১
-৩২৯

৬৩১
-৩৪০

৭৪৮
-৫২৯



## বিয়োগ কৰা

৮৬০
-৬২৯

৯২২
-৭৩৯

৮৫৩
-৫৭৯

## চিন্তা কৰি তৰা * চিন থকা ঠাইত উপযুক্ত অংক বহুওৱা

৫২
-৩১
২১

৬৮
-* *
৩৪

৫৪
-* *
৩২

৩৭
-* *
২৩

## সমস্যা সমাধান কৰা

উৰুকাৰ ভোজৰ পিছত বৌ মাছ বাকী থাকিল ৬৬ টা। ১১ ঘৰ মানুহে মাছখিনি ভগাই ল'লে প্ৰতিঘৰে কেইটাকৈ বৌ মাছ পাব।

________ টা

শিঙি মাছ আছিল ৫০ টা। যদি ১০ ঘৰ মানুহে শিঙি মাছ ভগাই লয় তেন্তে ঘৰে প্ৰতি কেইটাকৈ শিঙি মাছ পাব?

________ টা

উৰুকাৰ ভোজৰ বাবে মনবৰহঁতে ৫ কিলোগ্ৰাম পিঁয়াজ কিনিলে। ১ কিলোগ্ৰাম পিঁয়াজৰ দাম যদি ৩০ টকা হয় তেন্তে ৫ কিলোগ্ৰাম পিঁয়াজৰ দাম কিমান?

________ টকা

২ কিলোগ্ৰাম বেঙেনাৰ দাম যদি ৬০ টকা হয় তেন্তে ১ কিলোগ্ৰাম বেঙেনাৰ দাম কিমান হ'ব?

________ টকা

## সমস্যা সমাধান কৰা

মিনৰ পৰা বজাৰলৈ দূৰত্ব ৫ কিলোমিটাৰ। বজাৰলৈ চাইকেলেৰে যাওঁতে মনবৰহঁতৰ সময় লাগিল ২০ মিনিট। ১ কিলোমিটাৰ বাট যাওঁতে তেওঁলোকৰ কিমান সময় লাগিব?

______ মিনিট

আইতাকৰ বয়স ৭৮ বছৰ। ককাকৰ বয়স ৮৯ বছৰ। ককাক আইতাকতকৈ কেইবছৰে ডাঙৰ?

______ বছৰ

মৰিয়মৰ দোকানত ৫০০টা দিয়াচলাই বাহ আছে। তাই তাৰে ৪২২টা দিয়াচলাই বেচিলে। এতিয়া দোকানত কিমানটা দিয়াচলাই বাকী থাকিল?

______ টা

মধুপুৰ গাঁৱলৈ থিয়েটাৰ চাবলৈ ওচৰ-পাজৰৰ গাঁৱৰ পৰা মুঠতে ৩০৫ জন মানুহ আহিছিল। চকী আছিল ৩১৪ খন। আটাইবোৰ মানুহ বহাৰ পাছত কিমান আসন খালী থাকিব?

______ খন

কণিকাহঁতৰ কুকুৰাৰ ফাৰ্মত ৬১৫ জনী বগা কুকুৰা আৰু ৩২২ জনী মুগা বৰণৰ কুকুৰা আছে। ফাৰ্মত মুঠতে কিমানজনী কুকুৰা আছে?

______ জনী

এখন বাগিচাত ৪৬৬ জোপা বৃক্ষ আৰু ৩১২ জোপা জোপোহা গছ আছে। বাগিচাখনত মুঠতে কিমান জোপা গছ আছে?

______ জোপা

কণটি দাইৰ পামত ৬২৯ টা গাই গৰু আৰু ২৩৩টা বলধ গৰু আছে। পামত মুঠতে কিমান গৰু আছে?

______ টা



## সমস্যা সমাধান কৰা

মনুৰ খুড়াকৰ বিয়াৰ দিনা ঘৰখনত সৰহকৈ পানীৰ দৰকাৰ হ'ল। এখন পানীৰ গাড়ীয়ে সিহঁতৰ ঘৰত ৯৫০ লিটাৰ পানী দিলে। গাড়ীখনত পানী আছিল ১০০০ লিটাৰ। গাড়ীখনত পানী কিমান বাকী থাকিল?

______ লি

আকাশে দেউতাকৰ লগত শদিয়াত থকা পেহীয়েকৰ ঘৰলৈ বাছেৰে যাত্ৰা কৰিলে। গুৱাহাটীৰ পৰা শদিয়ালৈ ৫১৬ কিলোমিটাৰ। তেওঁলোকে ইতিমধ্যে ৪২৮ কিলোমিটাৰ অতিক্ৰম কৰিলে। পেহীয়েকৰ ঘৰ পাবলৈ তেওঁলোকে আৰু কিমান কিলোমিটাৰ বাট যাব লাগিব?

______ কিলোমি

লক্ষ্মীহঁতৰ ঘৰত থকা গৰুবোৰক এসপ্তাহত ৪২৩ কিলোগ্ৰাম আৰু ছাগলীবোৰক ২৩১ কিলোগ্ৰাম দানা দিয়া হয়। এসপ্তাহত গৰু আৰু ছাগলীবোৰক মুঠতে কিমান কিলোগ্ৰাম খাদ্য দিয়া হয়?

______ কিলোগ

ডলা এখনত বগৰী আছিল ২০০টা। প্ৰীতমে ল'লে ৯৮টা। ডলাখনত কেইটা বগৰী বাকী থাকিল?

______ টা

দুখন গাঁৱত ক্ৰমে ৪৯৪ জন আৰু ৩৪৭ জন মানুহ আছে। গাঁও দুখনত মুঠতে কিমান জন মানুহ আছে?

______ জন

৫ খন সাধুকথাৰ কিতাপৰ দাম ৫২৫ টকা। ৰাজুৰ হাতত আছিল ৪৯০ টকা। কিতাপকেইখন কিনিবলৈ হ'লে তাক আৰু কিমান টকা লাগিব?

______ টক